# Frequently Asked Questions for NRC Claim

**১। এনআৰচিত নাম অহা নাই, লিগেচি ব্যক্তিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ স্থাপন কৰা নগ'ল বুলি কাৰণ দেখুৱাইছে।**

উত্তৰঃ পূৰ্বতে ব্যৱহাৰ কৰা লিংকেজ নথিৰ পৰিৱৰ্তে তালিকা B থকা বেলেগ নথি ব্যৱহাৰ কৰিব পাৰে।

**২। এনআৰচিৰ আবেদন কৰোতে নামৰ মিল থকা বাবে ভূলবশত নিজৰ লিগেচিৰ পৰিৱৰ্তে একে নামৰ বেলেগ ব্যক্তিৰ লিগেচি ব্যৱহাৰ কৰা হৈছিল। এতিয়া নিজৰ শুদ্ধ লিগেচি ব্যৱহাৰ কৰিব পাৰিবনে ?**

উত্তৰঃ লিগেচি ব্যক্তিৰ নাম যদি একে থাকে তেতিয়া নিজৰ শুদ্ধ লিগেচি ব্যৱহাৰ কৰি দাবী দাখিল কৰিব পাৰিব। এইক্ষেত্ৰত মন কৰিব যে পূৰ্বে দাখিল কৰা লিগেচিৰ ভিত্তিবৰ্ষ সালসলনি কৰি দাবি দাখিল কৰা ভাল।

**৩। লিংকেজকৰ বাবে লিষ্ট B ৰ পৰা গাওঁ পঞ্চায়তৰ প্ৰমাণ পত্ৰ ব্যৱহাৰ কৰিছিলো, সেয়া নাকচ হৈছে। এতিয়া লিংকেজৰ বাবে কি নথি ব্যৱহাৰ কৰিম।**

উত্তৰঃ গাওঁ পঞ্চায়তৰ নথিৰ পৰিৱৰ্তে লিষ্ট B ৰ পৰা অইন নথি ব্যৱহাৰ কৰিব পাৰে।

**৪। এনআৰচিৰ খচৰা তালিকাত নাম আহিছে কিন্তু নামৰ বানান বা উপাধি ভূল হৈছে। এতিয়া নাম শুধৰণি কৰিবলৈ কি কৰিম ?**

উত্তৰঃ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী কৰ্তপক্ষই এতিয়ালৈ নাম শুধৰণী প্ৰ-পত্ৰ ৰাজহুৱা কৰা নাই। যেতিয়াই এই প্ৰ-পত্ৰ ৰাজহুৱা কৰিব তেতিয়া সেই প্ৰ-পত্ৰ পূৰণ কৰিব প্ৰয়োজনীয় নথিৰ সৈতে জমা দিলেই নাম শুদ্ধ হ'ব।

**৫। দাবী প্ৰ-পত্ৰৰ শেষৰ পৃষ্ঠা অৰ্থাৎ পৃষ্ঠা D ত দাবী দাখিল কৰাৰ কাৰণ হিচাপে কি লিখিম ?**

উত্তৰঃ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ চূড়ান্ত খচৰা তালিকাৰ পৰা নাম বাদ পৰাৰ কাৰণ জানিব বিচৰাত জানিব পাৰিলো যে, (নিজৰ কাৰণ লিখিব)। সেয়েহে পুনৰাই প্ৰয়োজনীয় নথিসহকাৰে বা পূৰ্বতে দাখিল কৰা নথিৰ ভিত্তিত পুনৰিক্ষণৰ জৰিয়তে আবেদনকাৰীৰ নাম এনআৰচিত অন্তৰ্ভূক্ত কৰাৰ বাবে আবেদন দাখিল কৰিলো।

**৬। এনআৰচিৰ খচৰা তালিকাত নাম নহাৰ কাৰণ FTR No বুলি জনাইছে, এতিয়া কি কৰিব লাগিব ?**

উত্তৰঃ পূৰ্বতে দাখিল কৰা লিগেচি নথিৰ পৰিৱৰ্তে একেজন ব্যক্তিৰ অন্য লিগেচি দাখিল কৰিব লাগিব আৰু প্ৰয়োজন সাপেক্ষে যদি সম্ভৱ হয় CVR (Combine Verification Report) এনএছকে পৰা চাই প্ৰয়োজন সাপেক্ষে দাবি আবেদন পত্ৰ দাখিল কৰাটো ভাল।

**৭। দাবী প্ৰ-পত্ৰ দাখিল কৰাৰ সময়ত লিংকেজ নথি হিচাপে ২০১৫ চনৰ পিছৰ নথি গ্ৰহণযোগ্য হ'বনে ?**

উত্তৰঃ লিংকেজ নথিৰ ক্ষেত্ৰত যিহেতু মহামান্য উষ্চতম ন্যায়ালয়ে কোনো ভিত্তিবৰ্ষ ধাৰ্য্য কৰা নাই সেয়েহে লিষ্ট B ৰ যিকোনো বৈধ নথি ব্যৱহাৰ কৰিব পাৰিব। কিন্তু বিষয়টো যথেষ্ট জটিলতাপূৰ্ণ সেয়ে পাৰ্যমানে ২০১৫ চনৰ ৩১ আগষ্টৰ পূৰ্বৰ সংযোগী নথি জমা দিলে ভাল।

**৮। লিগেচি ব্যক্তিৰ নাম পৰিৱৰ্তন কৰিব পৰা যাবনে ?**

উত্তৰঃ লিগেচি ব্যক্তিৰ নাম পৰিৱৰ্তন কৰা নাযাব।

**৯। এনআৰচিৰ খচৰা তালিকাত নাম নহাৰ কাৰণত D voter বুলি জনাইছে, কিন্তু পূৰ্বতে D Voter নাই এতিয়া কি কৰিব লাগিব ?**

উত্তৰঃ যদি প্ৰকৃততে আবেদনকাৰীৰ নামত 'ডি' ভোট নাই বা 'ডি' ভোটাৰ হোৱাৰ কোনো তথ্য পোৱা নাযায় তেন্তে আবেদনকাৰীয়ে DV/DF/PFT প্ৰ-পত্ৰ খন পূৰণ কৰিব লাগিব আৰু লগতে তেখেতৰ শেহতীয়া ভোটাৰ তালিকাৰ চাৰ্টিফাইড কপি লগত গাথি দিব লাগিব। সীমান্ত আৰক্ষী আৰু জিলা নিৰ্বাচনী বিভাগৰ কাৰ্যালয়ত তেওঁৰ নাম যে সংশ্লিষ্ট তালিকাত নাই সেই বিষয়ে উত্তৰ বিচাৰি আবেদন পত্ৰ দাখিল কৰিব, জমা দিয়া পত্ৰৰ উত্তৰ নাহিলে দাখিল কৰা আবেদনৰ প্ৰাপ্তি স্বীকাৰ কৰাৰ তথ্য আবেদনৰ সৈতে সংলগ্ন কৰিব।

**১০। D voter আৰু তেওঁৰ সতি-সন্ততি সকলে এতিয়া দাবী আবেদন দাখিল কৰিব পাৰিবনে ?**

উত্তৰঃ নোৱাৰে, বিদেশী ন্যাধীকৰণত 'ডি' ভোটৰ গোচৰ নিষ্পত্তি হোৱাৰ পিছত আবেদন কৰিব পাৰিব।

**১১। পূৰ্বতে ককা বা দেউতাৰ লিগেচি ব্যৱহাৰ কৰিছিলো এতিয়া কিবা ভূল হোৱাৰ বাবে মাৰ নামৰ বা মাৰ পক্ষৰ লিগেচি ব্যৱহাৰ কৰিব বিচাৰো। ব্যৱহাৰ কৰিব পৰা যাবনে ?**

উত্তৰঃ নোৱাৰে।

**১২। শিশুৰ ক্ষেত্ৰত জন্মৰ প্ৰমাণ পত্ৰ দিয়া হৈছিল কিন্তু নাম বাদ পৰিছে। কাৰণত লিংকেজ নথি গ্ৰহণযোগ্য নহয় বুলি জনাইছে। বেলেগ নথি নাই এতিয়া কি কৰিব ?**

উত্তৰঃ যদি কিবা বিকল্প নথি সংগ্ৰহ কৰিব পাৰে তেন্তে সেই নথিৰে দাবী দাখিল কৰিব পাৰিব আৰু যদি কোনো বিকল্প নথি নাই তেন্তে দাবী প্ৰ-পত্ৰৰ শেষৰ পৃষ্ঠাত সকলো কথা বিবৰি টোকা লিখি পিতৃ-মাতৃৰ জডিয়তে নাম অন্তৰ্ভূক্তি কৰাৰ বাবে আবেদন কৰিব পাৰে।

**১৩। ২০১৫ চনত আবেদন দাখিল কৰিব নোৱাৰা ব্যক্তি বা ২০১৫ চনৰ পিচত জন্মগ্ৰহণ কৰা শিশুসকলৰ ক্ষেত্ৰত এতিয়া কি কৰিব লাগিব ?**

উত্তৰঃ দাবি দাখিল কৰিব নোৱাৰে, কিয়নো এনআৰচি কৰ্তৃপক্ষই ঘোষণা কৰা মতে কেৱল বৈধ এআৰএন নম্বৰ থকা ব্যক্তিয়েহে দাবী দাখিল কৰিব পাৰিব।

## ১৪। লিগেচি ব্যক্তিৰ পূৰ্বৰ নাম আৰু এতিয়াৰ নামৰ মাজত কিছু অমিল আছে। সেইক্ষেত্ৰত কি কৰিব লাগিব ?

উত্তৰঃ এইক্ষেত্ৰত দুয়ো প্ৰকাৰৰ নামেই লিখিব লাগিব আৰু দাবী প্ৰ-পত্ৰৰ শেষৰ পৃষ্ঠাত কিহৰ বাবে কিদৰে নামৰ অমিল হ'ল সেই কথা বিস্তাৰিত লিখিব লাগিব।

## ১৫। ১৯৫০ চনৰ আগৰ মাটিৰ নথি আছে সেয়া ব্যৱহাৰ কৰিব পৰা যাবনে ?

উত্তৰঃ পাৰিব, সেই মাটিৰ পূৰ্বৰ মালিকৰ সৈতে বৰ্তমান আবেদনকাৰীৰ সম্পৰ্ক গ্ৰহণযোগ্য হ'ব লাগিব।